**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং : ৪২৪**
**উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬**

বিষয় : পঞ্চায়ত প্ৰতিনিধিসকলৰ মাননী আৰু পঞ্চায়ত কাৰ্য্যালয়ৰ নিৰ্মাণ সন্দৰ্ভত।

বিধায়ক : শ্ৰীচক্ৰধৰ গগৈ :

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান পঞ্চায়তৰ ৱাৰ্ড সদস্যৰ পৰা জিলা পৰিষদৰ সদস্যলৈকে পদৱী অনুসৰি এইসকলৰ মাহেকীয়া মাননী কিমান টকাকৈ দিয়া হয়? বিতংকৈ জনাব।

(খ) পঞ্চায়ত প্ৰতিনিধিসকলৰ মাননী ভৱিষ্যতে বৃদ্ধি কৰাৰ পৰিকল্পনা বিভাগে গ্ৰহণ কৰিছে নেকি? জনাব।

(গ) দুই এখন পঞ্চায়ত কাৰ্য্যালয় নিৰ্মাণ হ'ল যদিও সৰহ সংখ্যক পঞ্চায়ত কাৰ্য্যালয়ে অতি পুৰণি আৰু অনুন্নত। নতুন চৰকাৰে বাকী ৰৈ যোৱা পঞ্চায়ত কাৰ্য্যালয় সমূহ পূৰ্ণাঙ্গ ৰূপত নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিবনে ? জনাব।

**<u>উত্তৰ</u>**

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা দেৱে উত্তৰ দিব:

(ক) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সভাপতি, উপ সভাপতি আৰু সদস্য সকলৰ পাৰিতোষিক তলত দিয়া ধৰণৰ –

| ক্ৰমিক | পঞ্চায়ত স্তৰ | নিৰ্বাচিত প্ৰতিনিধিৰ পদবী | মাহিলী পাৰিতোষিক |
|---|---|---|---|
| ১ | জিলা পৰিষদ | সভাপতি | ১০,০০০ টকা |
| ২ | | উপ সভাপতি | ৭,৫০০ টকা |
| ৩ | | সদস্য | ৪,০০০ টকা |
| ৪ | আঞ্চলিক পঞ্চায়ত | সভাপতি | ৭,৫০০ টকা |
| ৫ | | উপ সভাপতি | ৫,০০০ টকা |
| ৬ | | সদস্য | ৩,০০০ টকা |
| ৭ | গাঁও পঞ্চায়ত | সভাপতি | ৫,০০০ টকা |
| ৮ | | উপ সভাপতি | ৩,০০০ টকা |
| ৯ | | সদস্য | ২,০০০ টকা |

(খ) পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ মাহিলী পাৰিতোষিক ২০২০ চনত অসম পঞ্চায়ত (প্ৰশাসনিক) (সংশোধনী) বিধি, ২০০২ অনুসৰি বৃদ্ধি কৰা হৈছে। বৰ্তমান পাৰিতোষিক বঢ়োৱাৰ বিষয়টো পৰ্য্যবেক্ষণ আৰু পৰ্যালোচনা কৰি থকা হৈছে।

(গ) সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ পিছত নতুনকৈ ১০২টা গাঁও পঞ্চায়তৰ মুখ্য কাৰ্য্যালয় সৃষ্টি কৰা হৈছে। ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় গ্ৰামস্বৰাজ অভিযানৰ (RGSA) অধীনত নতুনকৈ সৃষ্টি হোৱা এই ১০২টা গাঁও পঞ্চায়তৰ প্ৰতিটো পঞ্চায়তলৈ ২০লাখ টকাকৈ পুঁজি ধাৰ্য্য কৰি কাৰ্য্যালয় নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ভাৰত চৰকাৰৰ পঞ্চায়তীৰাজ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযানৰ বাৰ্ষিক কাৰ্য্য পৰিকল্পনাত অনুমোদন জনোৱাৰ পিছত অতি শীঘ্ৰে সংশ্লিষ্ট গাঁও পঞ্চায়তলৈ প্ৰয়োজনীয় ধন মুকলি কৰি দিয়া হব।

সীমা পুনৰ নিৰ্ধাৰণ (২০২৫)ৰ পিছত ৫৪টা গাঁও পঞ্চায়তৰ কাৰ্যালয় আছে য'ত ভৱনসমূহ ক্ষতিগ্ৰস্ত হোৱাৰ ফলত পঞ্চায়ত ৰাজ প্ৰতিষ্ঠান (PRI)ৰ কাৰ্যালয় সুস্থভাৱে চলোৱা সম্ভৱ নহয়। সপ্তম অসম ৰাজ্যিক বিত্তীয় আয়োগে বিষয়টো বিবেচনা কৰি মুঠ ১৫৬টা গাঁও পঞ্চায়তৰ কাৰ্যালয় ভৱন নিৰ্মাণৰ পৰামৰ্শ দিছে, যাতে গাঁও পঞ্চায়তসমূহে মৰ্যাদা আৰু যত্নসহকাৰে নিজৰ কাৰ্য সম্পাদন কৰিব পাৰে। ১৫৬টা কাৰ্যালয় ভৱনৰ বাবে মুঠ ৭৮.০০ কোটি টকা, অৰ্থাৎ পাঁচ বছৰৰ বাবে মুঠ ৭৮.০০ কোটি টকা আৰু প্ৰতিবছৰে ১৫.৬০ কোটি টকাকৈ ধৰা হৈছে।

**(Replies have been uploaded in the website "www. cms.neva.gov.in"**